মৰঙিয়ান... আমি মৰঙিয়ান... আমি মৰঙিয়ান

জীৱন বাটৰ পাত লুটিয়াই চালো
এই বাকৰিতে সপোন বিচাৰি পালো
জোনাকী হাঁহিৰে সুৰ তুলি ল'লো
হিয়াৰ কোণত সাঁচি থ'লো
তেজে তেজে সিৰে সিৰে
সোঁৱৰণীৰ প্ৰতি পলে পলে
আমি মৰঙিয়ান... আমি মৰঙিয়ান... আমি মৰঙিয়ান

প্ৰতি খোজৰ প্ৰতি ক্ষণে ক্ষণে
অতীতৰ ছবিয়ে ঢৌ তোলে
জীৱন সংগ্ৰামৰ বাটে বাটে
তোমাৰ স্মৃতিয়ে ধৰা দিয়ে
তুমি হ'লা জ্ঞানৰ সাক্ষী
এই আলয় জ্ঞানৰ জ্যোতি
আমি মৰঙিয়ান... আমি মৰঙিয়ান... আমি মৰঙিয়ান

যৌৱনৰ ৰঙীণ সময়বোৰত
আছিলো খেলি আমি তোমাৰ কোলাত
সপোন বিচাৰি তোমাৰ ছায়াত
পালো জীৱনৰ আলোকৰ বাট
জীৱনে মৰণে পূজিম আমি
তোমাৰ মান ৰাখিম আমি
আমি মৰঙিয়ান... আমি মৰঙিয়ান... আমি মৰঙিয়ান

জয়তু মৰঙি মহাবিদ্যালয়...
জয়তু মৰঙি মহাবিদ্যালয়...
জয়তু মৰঙি মহাবিদ্যালয়...

পৰিকল্পনা- প্ৰশান্ত বৰা
কথা - প্ৰশান্ত বৰা, ডিম্পী দত্ত, মনোজ দত্ত
সুৰ - প্ৰশান্ত বৰা
কণ্ঠ শিল্পী -যুগ্মস্মান,সুজিত, সুজিত, তাপচ, মনোজ(ধন),মণিকঙ্কনা, পল্লবী, প্ৰশান্ত
সংগীত ব্যৱস্থাপনা- অনিমেশ